**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-05-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে কাইলৈৰ পৰা ১২ জুনলৈ সমগ্ৰ দেশজুৰি বিকশিত কৃষি সংকল্প অভিযানৰ আয়োজন কৰিছে। এই অভিযানৰ উদ্দেশ্য হৈছে- দেশৰ ৭০০ খন জিলাৰ প্ৰায় ডেৰ কোটি কৃষকক কৃষি আৰু আনুষংগিক ক্ষেত্ৰসমূহৰ বিষয়ে সজাগ কৰা। অসমতো এই অভিযানত ২৬ খন জিলাৰ ৩ হাজাৰ ২৫০ খন গাঁও আৰু ৫ লাখৰো অধিক কৃষকক সামৰি লোৱাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে এই অভিযানৰ বাবে কৃষি বিভাগ, আনুষংগিক বিভাগ আৰু কৃষি বিজ্ঞানীসকলক লৈ ৫২টা গোট গঠন কৰা হৈছে। এই কাৰ্যসূচীৰ সময়ছোৱাত খাৰিফ শস্য উৎপাদনত সহায়ক হোৱাকৈ বহনক্ষম প্ৰযুক্তিৰ বিষয়ে প্ৰচাৰ, ছুইল হেল্থ কাৰ্ডৰ আধাৰত সাৰৰ ব্যৱহাৰ, কৃষি খণ্ডৰ বিভিন্ন সমস্যাৰ অধ্যয়ন আৰু ইয়াৰ ওপৰত প্ৰাথমিকভাৱে গৱেষণাৰ ৰূপৰেখা তৈয়াৰ কৰা ব্যৱস্থা কৰা হ'ব। কালি গুৱাহাটীত অনুষ্ঠিত এখন সংবাদমেলত ভাৰতীয় কিষাণ সংঘ অসমৰ বিষয়ববীয়াসকলে এই বিষয়ে প্ৰকাশ কৰে। তেওঁলোকে কয়, যে কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে ভাৰতীয় কিষাণ সংঘক এই অভিযানত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনোৱাৰ উপৰি চৰকাৰী বিভাগসমূহক এই অভিযানত কিষাণ সংঘক জড়িত কৰিবলৈ আহ্বান জনাইছে।

এই অভিযানৰ অংশ হিচাপে ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰই জিলা প্ৰশাসন, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কৃষি, পশু আৰু দুগ্ধ তথা মৎস্য বিভাগৰ সহযোগত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। ১৩ দিনীয়া এই কাৰ্যসূচীত জিলাখনৰ ৫২টা স্থানৰ সকলো গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০ হাজাৰৰো অধিক কৃষকক সামৰি লোৱা হ'ব। ধেমাজিৰ বাটঘৰীয়া গাঁও পঞ্চায়তত কাইলৈ এই অভিযানৰ শুভাৰম্ভ কৰা হ'ব। অনুষ্ঠানত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ড০ ৰণোজ পেগু উপস্থিত থকাৰ কথা।

যোৰহাট জিলাত হ'বলগীয়া বিকশিত কৃষি সংকল্প অভিযান সফলভাৱে ৰূপায়ণৰ বাবে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত বিশেষ সভা অনুষ্ঠিত হয়। সভাত যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী, জিলা কৃষি বিষয়া, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ প্ৰতিনিধিকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

oooooo

কৃষক কল্যাণৰ হকে কেন্দ্ৰীয় চৰকাৰৰ ধ্বজাবাহী আঁচনি প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত বিশ্বনাথ জিলাৰ কৃষকসকলক শস্য বীমা কৰাবৰ বাবে জিলা কৃষি বিভাগে আহ্বান জনাইছে। এই আঁচনিৰ অধীনত শস্য বীমা কৰোৱা কৃষকসকলৰ শস্য, প্ৰাকৃতিক দুৰ্যোগ অথবা কীট-পতংগই অনিষ্ট কৰিলে তেওঁলোকক ইয়াৰ ক্ষতিপূৰণ দিয়া হ'ব। এই আঁচনিৰ অধীনত মাত্ৰ এশ টকাত ১ হেক্টৰ কৃষি ভূমিৰ শস্য বীমা কৰিব পাৰিব বুলি জিলা কৃষি বিভাগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে কৃষকসকলে শালি খেতিৰ বাবে ৩১ জুলাই আৰু মাটি মাহৰ বাবে ১৫ ছেপ্তেম্বৰ পৰ্যন্ত পঞ্জীয়ন কৰিব পাৰিব। পঞ্জীয়নৰ বাবে আধাৰকাৰ্ড, মাটিৰ খাজনা ৰচিদ, বেংক পাছবুক আৰু ম'বাইল নম্বৰ থকাটো প্ৰয়োজনীয় বুলি কৃষি বিভাগে জানিবলৈ দিছে।

oooooo

ডিব্ৰুগড় জিলাৰ অতিৰিক্ত জিলা আয়ুক্তৰ সভাপতিত্বত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত শিক্ষা বিভাগৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত জিলাখনৰ চাহ বাগিচা অঞ্চলত অৱস্থিত ২৩০ খন বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক প্ৰোৎসাহন যোজনাৰ অধীনত পুঁজিৰ ব্যৱহাৰৰ বিষয়ে আলোচনা কৰা হয়। সভাত ডিব্ৰুগড় জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক, শ্ৰম বিভাগৰ বিষয়ববীয়াৰ উপৰি চাহ জনগোষ্ঠীৰ কেইবাটাও সংগঠনৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

০০০০০০

চৰাইদেউ জিলাৰ সোণাৰি বিধান সভা সমষ্টিৰ ১৮৮ গৰাকী ৰোগীৰ মাজত মুখ্যমন্ত্ৰী চিকিৎসা সাহায্য পুঁজিৰ অধীনত কালি আৰ্থিক সাহায্যৰ চেক বিতৰণ কৰা হয়। সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ বাসগৃহত আয়োজিত এটা অনুষ্ঠানত এই চেকসমূহ প্ৰদান কৰা হয়। এই কাৰ্যসূচীত চৰাইদেউ জিলা বিজেপিৰ সভানেত্ৰী নিতুমণি প্ৰধানৰ লগতে আন বহু দলীয় নেতা-কৰ্মী আৰু স্থানীয় লোক উপস্থিত থাকে।

০০০০০০

অসমৰ অন্যতম জনগোষ্ঠী দেউৰী সকলৰ ভাষাটো সুৰক্ষিত কৰাৰ বাবে ১০ হাজাৰ শব্দ সামৰি দেউৰী-অসমীয়া-ইংৰাজী অভিযান চলিত বছৰতে প্ৰকাশ পাব। আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা চমুকৈ এবিলেকে এই ত্ৰিভাষিক অভিধানখন প্ৰস্তুত কৰাৰ বাবে শেষৰখন কৰ্মশালাৰ আয়োজন কৰিছে। ২০১৩ চনতে এই অভিধানখন প্ৰণয়ন কৰাৰ কাম আৰম্ভ হৈছিল যদিও সম্পূৰ্ণ হোৱা নাছিল। প্ৰতিষ্ঠানটোৰ বৰ্তমানৰ সঞ্চালক ড০ সুদেষ্ণা ভট্টাচাৰ্যৰ উদ্যোগত বৰ্তমান অভিধানখনৰ শেষ পৰ্যায়ৰ কাম চলি আছে। এবিলেকৰ উত্তৰ-গুৱাহাটীৰ ৰজাদুৱাৰত থকা মুখ্য কাৰ্যালয়ত অনুষ্ঠিত কৰ্মশালাত দেউৰী সাহিত্য সভাৰ সভাপতি ড০ ষড়ানন দেউৰীকে ধৰি দেউৰী সমাজৰ ১১ গৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০

মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতিৰ সৌহাৰ্দ্যপূৰ্ণ সমাধানৰ বাবে ৰাজ্যখনৰ নাগৰিক সমাজ সংগঠনৰ শীৰ্ষ সংস্থা **কো-অৰ্ডিনেটিং কমিটী অন মণিপুৰ ইণ্টিগ্ৰিটী** চমুকৈ কোকোমিৰ সাতজন সদস্যৰ এটা প্ৰতিনিধি দলে কালি নতুন দিল্লীত গৃহ মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। মন্ত্ৰালয়ে কোকোমিৰ প্ৰতিনিধি দলটোক এই সপ্তাহৰ আৰম্ভণিতে বিশেষ আমন্ত্ৰণ জনাইছিল। উত্তৰ-পূব পৰিক্ৰমা উপদেষ্টা এ কে মিশ্ৰ আৰু যুটীয়া সঞ্চালক ৰাজেশ কামলেই মন্ত্ৰালয়ৰ হৈ প্ৰতিনিধিত্ব কৰে। প্ৰতিনিধি দলটোৱে যোৱা ৩ মে'ত ইম্ফলত আয়োজিত বিশাল গণ সমাবেশত গ্ৰহণ কৰা প্ৰস্তাৱ সন্দৰ্ভত গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ বিষয়াসকলৰ সৈতে আলোচনা কৰে। বৈঠকত শেহতীয়া গোৱালটাবিৰ ঘটনাত সেনাবাহিনীৰ এটা দলে মণিপুৰ ৰাজ্যিক পৰিবহণ বিভাগৰ বাছৰ পৰা মণিপুৰ শব্দটো আঁতৰাবলৈ ৰাজ্যখনৰ সাংবাদিকৰ এটা দলক নিৰ্দেশ দিয়াক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কৰ বিষয়ে আলোচনা কৰা হয়। সংস্থাটোৱে লগতে এই সংঘৰ্ষক লৈ কোকোমি আৰু অন্যান্য অংশীদাৰসকলৰ স্থিতি সন্দৰ্ভতো আলোকপাত কৰে।

ইপিনে, কোকোমিয়ে আহ্বান জনোৱা গণ অসহযোগ আন্দোলনৰ কালি তৃতীয় দিনাও এই ঘটনাক লৈ জনসাধাৰণে ৰাজ্যখনৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাক ক্ষমা খোজাৰ দাবী জনাই বিভিন্ন অঞ্চলত প্ৰতিবাদ সাব্যস্ত কৰে।

০০০০০০

সমাপ্ত